**2018**

# ASSAMESE

## ASM : 1.04

## GENERAL LINGUISTICS

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ দিয়া ঃ ১x১০=১০

ক) মানৱ সভ্যতাৰ আগ্ৰগতিৰ মূল আধাৰ কি?

খ) ভাৰতবৰ্ষত ভাষাবিষয়ক চিন্তা-চৰ্চাৰ শুভাৰম্ভ কোনখন গ্ৰন্থত হয়?

গ) ভাষাবিজ্ঞানৰ প্ৰাথমিক প্ৰয়োগশালা কি?

ঘ) ইউৰোপীয় ভাষাচিন্তাৰ জগতত কোনে প্ৰথম ভাষা চৰ্চাৰ উল্লেখ ঘটায়?

ঙ) 'Grammatike' শব্দটো কি ভাষাৰ শব্দ?

চ) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics) এ ভাষাৰ কোনটো ৰূপক আলোচ্য বিষয় হিচাপে গ্ৰহণ কৰে?

ছ) 'শব্দানুশাসনম্'ৰ আন এটা নাম কি?

জ) আন্তৰ্জাতিক ধ্বনিলিপি (International Phonetic Alphabet) ত মূলতঃ কি লিপিক ভিত্তি হিচাপে লোৱা হৈছে?

ঝ) একে মূলৰ পৰা উদ্ভৱ হোৱা ভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্ক ভাষাবিজ্ঞানৰ কোনটো শাখাই নিৰ্ণয় কৰে?

ঞ) বাক্যত শব্দ-সংযোজনৰ পৰা উদ্ভৱ হ'ব পৰা অৰ্থক কেইভাগত ভগাব পাৰি?

২। চমুকৈ উত্তৰ লিখা ঃ ২x৫=১০

ক) আধুনিক ভাষাবিজ্ঞান পিতৃপুৰুষ (Father of Modem Linguistics) বুলি কাক আখ্যা দিয়া হৈছে? তেওঁ কোনদেশৰ ভাষাবিজ্ঞানী?

খ) ভাষা অধ্যয়ন প্ৰক্ৰিয়াক 'বিজ্ঞান' অভিধাৰে সামৰি লোৱাৰ দুটা মূল কাৰণ উল্লেখ কৰা।

গ) ভাষিক বিচ্যুতি (Linguistic Deviation) কি?

ঘ) জৈৱিক সময় ঘড়ী (Biological Time Clock) বুলিলে কি বুজা?

ঙ) 'মুনিত্ৰয়ম্' বুলিলে কোন তিনিগৰাকী বৈয়াকৰণিকক বুজায়?

৩। চমু টোকা লিখা (যিকোনো দুটা) ঃ ২x৫=১০

ক) ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)

খ) বাগিন্দ্ৰিয় (Organs of Speech)

গ) চিহ্নবিজ্ঞান (Semioties)

ঘ) লেনাৰ্ড ব্লুমফিল্ড (Leonard Bloomfield)

৪। ভাষা আৰু সমাজৰ সম্পৰ্ক নিৰ্ণয় কৰা। ৭

অথবা

'শৈলীবিজ্ঞান (Slylistics) ভাষা বিজ্ঞানৰ সেই অংগ যি ভাষা ব্যৱহাৰৰ বিভিন্নতাত মনোনিৱেশ কৰে'— কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা। ৭



৫। ধ্বনিবিজ্ঞান (Phonetics) কি? ধ্বনিবিজ্ঞানৰ বিভিন্ন ভাগবোৰৰ পৰিচয় দাঙি ধৰা। ২+৫=৭

অথবা

বাক্যতত্ত্ব (Syntex) কি? ভাষা এটাৰ বিজ্ঞানসন্মত অধ্যয়নত বাক্যৰ কোন তিনিটা বিষয়ত গুৰুত্ব আৰোপ কৰা হয় লিখা। ২+৫=৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। প্ৰাচ্য আৰু পাশ্চাত্যত ক'ত, কেনেদৰে আৰু কিয় ভাষাচৰ্চাৰ পৰম্পৰা আৰম্ভ হৈছিল বিৱৰি লিখা। ১২

৭। ব্যাকৰণ (Grammer), ভাষাতত্ত্ব (Philology) আৰু ভাষাবিজ্ঞান (Linguistics)ৰ মাজত থকা মৌলিক পাৰ্থক্যবোৰ ফঁহিয়াই লিখা। ১২

৮। মনোভাষাবিজ্ঞানৰ তত্ত্ব অন্বেষণৰ মৌলিক প্ৰশ্ন আৰু তাৰ সমিধানৰ বিষয়ে আলোচনা কৰা। ২+১০=১২

৯। বাক্-বিন্যাস (Discourse Analysis) মানে কি? বাক্-বিন্যাস বিশ্লেষণৰ উপাদানবোৰৰ সবিশেষ লিখা। ২+১০=১২

১০। ৰূপান্তৰ সৃজন ব্যাকৰণ (Transformational Generative Grammer) জনক কোন? ৰূপান্তৰ স্বজন ব্যাকৰণৰ সাৰ্ব্বজনীন আৰু বিবাদহীন সিদ্ধান্ত কেইটাৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা দাঙি ধৰা। ১+১১=১২

..........................